জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৮৮/২০২১

**অসম-মিজোৰাম সীমান্তত মিজোৰাম আৰক্ষী আৰু মিজো সশস্ত্ৰ দুৰ্বৃত্তৰ গুলীচালনাত আঘাতপ্ৰাপ্তসকলৰ চিকিৎসাৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে**

# ঘটনাত নিহত অসম আৰক্ষীৰ বীৰ জোৱান কেইগৰাকীৰ নশ্বৰ দেশত মাল্যাৰ্পণেৰে শেষ শ্ৰদ্ধা জ্ঞাপন মুখ্যমন্ত্ৰীৰ

**আন্তঃৰাজ্যিক সীমান্তৰ সংৰক্ষিত বনাঞ্চলৰ এক ইঞ্চি ভূমিও যাতে কোনেও দখল কৰিব নোৱাৰে এই সম্পৰ্কত হস্তক্ষেপ বিচাৰি ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ত ৰুজু কৰিব এক গোচৰ**

**দিছপুৰ, ২৭ জুলাই ঃ** কালি কাচাৰ জিলাৰ অসম-মিজোৰাম সীমান্তত মিজো আৰক্ষী আৰু সশস্ত্ৰ মিজো দুৰ্বৃত্তৰ অপ্ৰৰোচিত গুলীচালনাত আহত হোৱাসকলৰ স্বাস্থ্যৰ অৱস্থা তথা চিকিৎসাৰ সবিশেষ বুজ লোৱাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত উপস্থিত হয়। মুখ্যমন্ত্ৰীয়ে আহতসকলৰ চিকিৎসাৰ সবিশেষ বুজ লোৱাৰ উপৰি চিকিৎসক তথা আহতসকলৰ সৈতে মত-বিনিময় কৰে। আহত আৰক্ষী জোৱানসকলৰ সুচিকিৎসা নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈ তেওঁ চিকিৎসকসকলক নিৰ্দেশ দিয়ে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাসকলক উন্নত চিকিৎসাৰ বাবে এয়াৰ এম্বুলেঞ্চৰ জৰিয়তে উন্নত চিকিৎসালয়লৈ অগ্ৰাধিকাৰ ভিত্তিত প্ৰেৰণৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ লগতে নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, কেইবাগৰাকীও বিধায়ক, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কাচাৰ জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপস্থিত হৈ কালিৰ ঘটনাত নিহত হোৱা ৫ গৰাকী অসম আৰক্ষীৰ সাহসী জোৱানৰ নশ্বৰ দেহত মাল্যাৰ্পণেৰে শেষ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীৰ লগতে জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহল, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, জিলা উপায়ুক্তকে ধৰি শীৰ্ষ বিষয়াসকলেও শ্বহীদ জোৱানসকলৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

ইয়াৰ পিছতে শিলচৰত আয়োজিত এক সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আন্তঃৰাজ্যিক সীমান্তৰ সংৰক্ষিত বনাঞ্চলৰ এক ইঞ্চি ভূমিও যাতে অবৈধভাৱে কোনেও দখল কৰিব নোৱাৰে সেই সম্পৰ্কে উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি অসম চৰকাৰে এক গোচৰ ৰুজু কৰিব।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে এখন দায়িত্বশীল ৰাজ্য হিচাপে অসমে কাৰোৰে প্ৰতি প্ৰতিশোধপৰায়ণ দৃষ্টিভংগী গ্ৰহণ নকৰে। সীমান্তত কোনো নিৰীহ লোকৰ প্ৰাণহানি হোৱাটো অসমে কেতিয়াও কামনা নকৰে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কালিৰ ঘটনাত নিহত হোৱা অসম আৰক্ষীৰ শ্বহীদসকলৰ প্ৰতিটো পৰিয়ালৰ নিকটাত্মীয়লৈ ৫০ লাখ টকাকৈ আগবঢ়োৱা হ'ব আৰু শ্বহীদসকলৰ পৰিয়ালৰ এজন সদস্যক চৰকাৰী চাকৰিত নিয়োজিত কৰা হ'ব। তদুপৰি, কালিৰ ঘটনাত আঘাতপ্ৰাপ্ত হোৱা প্ৰত্যেকগৰাকী ব্যক্তিলৈ চৰকাৰে ১ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়াব। অসম-মিজোৰাম সীমান্তত নিয়োজিত হোৱা অসম আৰক্ষীৰ জোৱানসকলে অতিৰিক্তভাৱে এমাহৰ দৰমহা লাভ কৰিব। কৰিমগঞ্জ, কাচাৰ আৰু হাইলাকান্দিৰ বাবে ৰাজ্য চৰকাৰে তিনিটা ক'মাণ্ডো বেটেলিয়ন সৃষ্টি কৰিব। ইয়াৰ বাবে প্ৰয়োজনীয় জোৱান ৰাজ্য চৰকাৰে মকৰল কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**চাঃহঃচৌঃ / বঃভাঃ / পুঃডেঃ / প্ৰঃকুঃবঃ**
**২৭/০৭/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in